# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ২৩ অক্টোবৰ ২০২০ চনত মছজিদ মোবাৰক ,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মৰ্যাদা সম্পন্ন বদৰী চাহাবী হজৰত মুৱাজ বিন জবল (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান উদ্দীপক চমু বিৱৰণী-**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ
الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ
نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ, তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ)য়ে কয় যে-আজি যিজন চাহাবীৰ বিষয়ে বৰ্ণনা কৰা হ'ব, তেখেতৰ নাম হ'ল হজৰত মুৱাজ বিন জবল (ৰাঃ)। এখেত (ৰাঃ)ৰ দেউতাকৰ নাম আছিল জবল বিন উমৰু। এখেত (ৰাঃ)ৰ গাৰ ৰং বগা আৰু দাঁত দুপাৰি জকমকীয়া আৰু চকুযুৰি আছিল অঞ্জন (কাজল) লগোৱাৰ দৰে। এখেত (ৰাঃ) নিজৰ সম্প্ৰদায় (গোত্ৰৰ) মাজত থকা ডেকা চামৰ ভিতৰত আটাইতকৈ ধুনীয়া ডেকা আছিল আৰু বৰ দানশীল আছিল। আবু নঈম বৰ্ণনা কৰিছে যে,হজৰত মুৱাজ (ৰাঃ) আনছাৰৰ ডেকা চামৰ মাজত সহানুভূতি, ভদ্ৰতা আৰু দান বৰগুণীৰ ক্ষেত্ৰত আটাইতকৈ উত্তম আছিল। হজৰত মুৱাজ বিন জবল (ৰাঃ) সত্তৰ আনছাৰৰ লগত বয়াতে উকবা ছানিয়াত যোগদান কৰিছিল, ইছলাম গ্ৰহণ কৰাৰ সময়ত তেখেতৰ বয়স হৈছিল ওঠৰ বছৰ। হজৰত মুৱাজ (ৰাঃ)য়ে বদৰৰ যুদ্ধ, উহুদৰ যুদ্ধ,খন্দকৰ যুদ্ধ আৰু পিছৰ সকলো যুদ্ধত আঁ-হজৰত (ছাঃ)ৰ লগত যোগ দি ৰণ কৰিছিল।এখেত (ৰাঃ)য়ে বদৰৰ যুদ্ধত তেতিয়া যোগ দিছিল যেতিয়া এখেতৰ বয়স বিছ অথবা একৈছ বছৰ হৈছিল। ইছলাম গ্ৰহণ কৰাৰ পিছত হজৰত মুৱাজ (ৰাঃ)য়ে বনু ছালমাৰ ডেকা সকলৰ লগত মিলি বনু ছালমাৰ মূৰ্ত্তি (পূজাৰ মূৰ্ত্তি) ভাঙি পেলাইছিল।

মক্কা বিজয়ৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে হুনায়েনলৈ গৈছিল তেতিয়া তেখেত (ছাঃ)য়ে হজৰত মুৱাজ বিন জবল (ৰাঃ)ক মক্কাত এৰি থৈ গৈছিল যাতে তেখেত মক্কাৰ বাসিন্দা সকলক দ্বীনৰ শিক্ষা দিব পাৰে আৰু তেওঁলোকক কোৰ-আন পঢ়োৱায়। হজৰত মুৱাজ বিন জবল (ৰাঃ)য়ে তবুকৰ যুদ্ধত পূৰ্ণ দক্ষতাৰে অংশ লৈছিল। কাতাদাহ বৰ্ণনা কৰিছে যে- মই হজৰত আনছ (ৰাঃ)ক কওঁতে শুনিছো যে, ৰছুলুল্লাহ (ছাঃ)ৰ সময়ত চাৰিজন লোকে কোৰ-আন একগোট কৰি জমা কৰিছিল, তেওঁলোকে চাৰিও আনছাৰ আছিল। এওঁলোক চাৰিজন হ'ল হজৰত মুৱাজ বিন জবল (ৰাঃ), হজৰত উবায় বিন কাআব (ৰাঃ), হজৰত জায়েদ বিন ছাবিত (ৰাঃ) আৰু হজৰত আবু জায়েদ (ৰাঃ)। হজৰত আব্দুল্লাহ বিন উমৰ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে, তেখেত আঁ-হজৰত (ছাঃ)ক কওঁতে শুনিছে যে তেখেত (ছাঃ)য়ে কৈছে যে- চাৰিজন ব্যক্তিৰ পৰা কোৰ-আন শিকি লোৱা, সেই চাৰিজন হ'ল ইবনে মাছুদ (ৰাঃ), আৰু আবু হুজায়ফাৰ কৃতদাস ছালম (ৰাঃ) আৰু উবায় বিন কাআব আৰু মুৱাজ বিন জবল (ৰাঃ)।

হজৰত আনছ বিন মালিক (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে- মোৰ উম্মত (অনুসাৰী)ৰ মাজত হালাল (বৈধ) আৰু হাৰাম (অবৈধ) সম্পৰ্কে আটাইতকৈ বেছি জ্ঞান ৰাখোঁতা ব্যক্তিজ হ'ল মুৱাজ বিন জবল (ৰাঃ)।

নবী কৰীম (ছাঃ) য়ে এদিন হজৰত মুৱাজ (ৰাঃ)ৰ হাতত ধৰি কৈছিল, হে মুৱাজ ! মই নিশ্চয় তোমাক ভাল পাওঁ। ইয়াৰ উত্তৰত হজৰত মুৱাজ (ৰাঃ)য়ে কৈছিল, ইয়া ৰাছুলুল্লাহ (ছাঃ); মোৰ পিতৃ-মাতৃ আপোনাতে উৎসৰ্গিত হওঁক। মইয়ো আপোনাক ভাল পাওঁ। আঁ-হজৰত (ছাঃ) য়ে কৈছিল- হে মুৱাজ; মই তোমাক আদেশ দিওঁ যে তুমি প্ৰত্যেক নমাজৰ পিছত এই তচবিহ কৰিবা اَللّٰهُمَّ اَعِنِّي عَلٰى ذِكْرِكَ وَشُكْرِكَ وَحُسْنِ عِبَادَتِكَ অৰ্থাৎ হে মোৰ আল্লাহ ; মোক সহায় কৰা, তোমাৰ স্মৰণ কৰিবলৈ আৰু তোমাৰ প্ৰশংসা কৰিবলৈ আৰু তোমাৰ উপাসনা সুন্দৰ ভাৱে কৰিবলৈ। হজৰত মুৱাজ বিন জবল (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, নবী কৰীম (ছাঃ)য়ে কৈছে, কিয় মই তোমাক জান্নাতৰ দুৱাৰসমূহৰ পৰা এটা দুৱাৰ সম্পৰ্কে জনাম নেকি ? তেতিয়া হজৰত মুৱাজ (ৰাঃ)য়ে নিবেদন কৰিছিল, কিয় নহয়; নিশ্চয় জনাওঁক ! তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল لاحول ولا قوة الا بالله পঢ়িবা। হজৰত মুৱাজ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, তেখেত (ৰাঃ)য়ে নবী কৰীম (ছাঃ)ক সৰ্বোত্তম ঈমান সম্পৰ্কে সুধিছিল; তেতিয়া নবী কৰীম (ছাঃ)য়ে কৈছিল- সৰ্বোত্তম ঈমান হ'ল এয়া যে, তুমি আল্লাহৰ ওৱাস্তে ভালপোৱা (মৰম কৰা) আৰু আল্লাহৰ ওৱাস্তে ঘৃণা কৰা আৰু নিজৰ জিবাখন আল্লাহৰ স্মৰণত ডুবাই ৰাখা। হজৰত মুৱাজ (ৰাঃ)য়ে নিবেদন কৰিছিল, ইয়া ৰছুলুল্লাহ (ছাঃ) আৰু কি কৰিবলৈ আছে ? হুজুৰ (ছাঃ)য়ে কৈছিল আৰু তুমি লোকৰ বাবে সেয়া পছন্দ কৰিবা যি তুমি নিজৰ বাবে পছন্দ কৰা আৰু লোকৰ বাবে সেয়া অপছন্দ কৰিবা যি তুমি নিজৰ বাবে অপছন্দ কৰা।

হজৰত জাবিৰ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে,হজৰত মুৱাজ (ৰাঃ)য়ে নবী কৰীম (ছাঃ)ৰ সৈতে নমাজ পঢ়া কৰিছিল আকৌ আহি নিজৰ মহল্লাত লোকৰ ইমামতি কৰিছিল। এবাৰ এদিন ৰাতি এখেত (ৰাঃ)য়ে নবী (ছাঃ)ৰ লগত ঈশাৰ নমাজ পঢ়ি আহি নিজৰ লোক সকলক নমাজ পঢ়াৰ ইমামতি কৰাৰ সময়ত চুৰা বাকাৰা পঢ়িবলৈ আৰম্ভ কৰে। তেতিয়া মুক্তাদীৰ পৰা এজন লোকে পৃথক হৈ গৈ অকলে নমাজ পঢ়ি গুচি গৈছিল। এয়া দেখি লোক সকলে তেওঁক কৈছিল যে, হে অমুক; তুমি কি মুনাফিক (কপটতা) হৈ গৈছা নেকি ? এই বিষয়টো লৈ লোকজনে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আৰু এই সকলো ঘটনা সম্পৰ্কে জনায়। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত মুৱাজ (ৰাঃ)ৰ ফালে চাই কৈছিল যে, হে মুৱাজ ! তুমি লোকক পৰীক্ষা কৰিব বিচৰা নেকি ? লোকক কিয় সমস্যাত পেলোৱা ? তেতিয়া আঁ-হজৰত (ছাঃ)য়ে হজৰত মুৱাজ (ৰাঃ)ক والشمس وضحاها اور والضحى، والليل اذا يغشى سبح اسم ربك الاعلى، ৰ দৰে সৰু সৰু চুৰা পঢ়িবলৈ আদেশ দিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আচল হিদায়ৎ হ'ল এয়া যে, বা-জামাত নমাজত দীঘলীয়া চুৰা পাঠ কৰিব নেলাগে কাৰণ বিভিন্ন ধৰণৰ লোক বা-জামাত নামাজত আহি অংশ লয় যাৰ মাজত বৃদ্ধ, বেমাৰী আৰু বিভিন্ন কামত ব্যস্ত থকা লোকও থাকে।

হজৰত মুৱাজ বিন জবল (ৰাঃ)য়ে কৈছে যে, মই আৰোহী হিচাপে নবী কৰীম (ছাঃ)ৰ পিছত বহি আছিলো আৰু তেখেত (ছাঃ) য়ে কৈছিল, হে মুৱাজ ! মই উত্তৰ দিছিলো; মই উপস্থিত আছো ইয়া ৰছুলুল্লাহ (ছাঃ) আৰু এয়াই মোৰ সৌভাগ্য। আকৌ কিছুদুৰ যোৱাৰ পিছত তেখেত (ছাঃ)য়ে মাত দিছিল হে মুৱাজ! মই উত্তৰ দিছিলো, মই উপস্থিত আছো ইয়া ৰছুলুল্লাহ; এয়াই মোৰ সৌভাগ্য ! তেখেত (ছাঃ)য়ে কৈছিল, তুমি জানানে বান্দাৰ ওপৰত আল্লাহৰ কি অধিকাৰ (প্ৰাপ্য) আছে ? মই কৈছিলো আল্লাহ আৰু তাৰ ৰছুলে এয়া ভালদৰে জানে। তেখেত

(ছাঃ)য়ে কৈছিল, আল্লাহ তাৰ বান্দাৰ ওপৰত এয়া অধিকাৰ ৰাখিছে যে, বান্দা যেন তাৰ ইবাদত কৰে আৰু কাকো যেন তাৰ অংশীদাৰ নাপাতে। ইয়াৰ পিছত তেখেতে (ছাঃ)য়ে আৰু কিছুদূৰ যোৱাৰ পিছত কৈছিল, হে মুৱাজ বিন জবল ! উত্তৰত মই কৈছিলো উপস্থিত আছো, ইয়া ৰছুলুল্লাহ ! এয়াই মোৰ সৌভাগ্য; তেখেত (ছাঃ)য়ে কৈছিল তুমি জানানে বান্দায় আল্লাহৰ ওপৰত কি অধিকাৰ ৰাখে ? তেখেত (ছাঃ)য়ে কৈছিল, বান্দায় আল্লাহৰ ওপৰত এয়া অধিকাৰ ৰাখে যে,সি যেন বান্দাক শাস্তি নিদিয়ে।

হজৰত মুৱাজ বিন জবল (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, এদিন মই আঁ-হজৰত (ছাঃ)ৰ ওচৰত আবেদন জনাইছিলোঁ, ইয়া ৰছুলুল্লাহ (ছাঃ) মোক এনেকুৱা কোনো আমল কৰিবলৈ কওঁক যিয়ে মোক জান্নাতলৈ লৈ যায় আৰু মোক অগ্নিৰ পৰা আঁতৰত ৰাখে। এয়া শুনি ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল, তুমি দেখোন এটা ডাঙৰ কথা সুধিলা। এই কথাখিনি তাৰ বাবে সহজ, যাৰ কাৰণে আল্লাহ তা'লা সহজ কৰি দিয়ে। আকৌ কৈছিল যে, আল্লাহ তা'লাৰ ইবাদত কৰা আৰু তাৰ লগত কাকো অংশীদাৰ নাপাতিবা, নমাজ পঢ়িবা, জাকাত দিবা, ৰমজানৰ ৰোজা ৰাখিবা আৰু বায়তুল্লাহলৈ হজ কৰিব। আকৌ কৈছিল যে, কিয় ! মই কল্যাণৰ দোৱাৰ সম্পৰ্কে নজনামনে ? কৈছিল যে, ৰোজা হ'ল ঢাল আৰু ছদকায় গোনাহক এনেদৰে নোহোৱা কৰে যেনেকৈ পানীয়ে জুই নুমাই দিয়ে আৰু মাজনিশা তাহাজ্জুদ নমাজ পঢ়িবা। আকৌ কৈছিল মই তোমাক ইয়াৰ খুটি আৰু ইয়াৰ উচ্চতাৰ শীৰ্ষতম অংশ সম্পৰ্কে কমনে ? ইয়াৰ উত্তৰত কৈছিল সেয়া হ'ল জিহাদ। ইয়াৰ পিছত আকৌ কৈছিল- মই তোমাক এনেকুৱা এটা কথা জনামনে, যাৰ ওপৰত এই সকলোবোৰ নিৰ্ভৰশীল। মই আবেদন কৰিছিলোঁ, ইয়া ৰছুলুল্লাহ (ছাঃ) নিশ্চয় আপুনি জনাওঁক। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ জিভা মোবাৰক ধৰি কৈছিল যে, ইয়াক বাধা দি ৰাখিবা। মই আবেদন কৰিছিলোঁ- হে আল্লাহৰ ৰছুল (ছাঃ) কিয়; আমাৰ বিচাৰ ইয়াৰ ওপৰত হ'ব নেকি যে,যি আমি ইয়াৰ জৰিয়তে কওঁ। তেখেত (ছাঃ)য়ে কৈছিল- তোমাৰ কল্যাণ হওঁক। হে মুৱাজ ! মানুহক তাৰ অন্ধমুখে অগ্নিত নেপেলায়। কিন্তু মানুহৰ জিভাৰ খাতিৰে হয় তাৰ ভাল আৰু বেয়া ফল। হজৰত কাআব বিন মালিক কৈছিল যে, হজৰত মুৱাজ (ৰাঃ)য়ে হজৰত ৰছুলুল্লাহ (ছাঃ)ৰ জীৱিত কালত আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালত মদিনাত ফতোৱা দিয়া কৰিছিল।

হজৰত মুৱাজ বিন জবল হজৰত আবু বক্কৰ (ৰাঃ) ৰ খিলাফৎ কালতেই স্বাম (ছিৰিয়া) লৈ গুচি গৈছিল আৰু তাতেই বাস কৰিবলৈ লৈছিল। যেতিয়া হজৰত মুৱাজ বিন জবল স্বামলৈ যাত্ৰা কৰিছিল তেতিয়া হজৰত উমৰ (ৰাঃ) য়ে কৈছিল যে, তেখেতৰ ছিৰিয়া গমনে মদিনা আৰু মদিনাৰ বাসিন্দা সকলক। ফিকাহ আৰু যিবোৰ বিষয়ত তেখেতে ফতোৱা দিয়া কৰিছিল; সেই বিষয় সমূহত আনৰ ওপৰ নিৰ্ভৰশীল বনাই দিলে। হজৰত মুৱাজ বিন জবল (ৰাঃ)য়ে ৰাতি যেতিয়া নমাজ তাহাজ্জুদ পঢ়িছিল তেতিয়া এই দোৱা কৰিছিল যে,হে আল্লাহ চকুৱে টোপনি গৈছে আৰু তৰাবোৰে জিকমিকাই আছে, আৰু তুমি চিৰ জীৱন্ত, চিৰঞ্জীৱ (হাইউল কাইয়ুম)। হে আল্লাহ জান্নাতৰ বাবে মোৰ আগ্ৰহ এলেহুৱা আৰু অগ্নিৰ পৰা আঁতৰত থাকিবলৈ মই দুৰ্বল আৰু শক্তিহীন। হে আল্লাহ মোৰ বাবে তোমাৰ ওচৰত হিদায়ৎ অটুট ৰাখা, যি কিয়ামতৰ দিনা তুমি মোক ঘূৰাই দিবা; নিশ্চয় তুমি কেতিয়াও নিজৰ প্ৰতিশ্ৰুতি ভঙ্গ নকৰা। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, এয়া কেনেকুৱা ভয় আৰু ভীতিৰ স্থান হয়।

হজৰত আনছ বিন মালিক (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, নবী (ছাঃ)য়ে হজৰত মুৱাজ বিন জবল (ৰাঃ)ক কৈছিল- যিজনে নিজৰ হৃদয়ৰ পৰা সঁচাকৈয়ে সাক্ষী দিব যে, আল্লাহৰ বাহিৰে কোনো উপাস্য নাই আৰু মহম্মদ (ছাঃ) আল্লাহৰ ৰছুল; তেতিয়া নিশ্চয় আল্লাহ তা'লা তাক অগ্নি হাৰাম কৰি দিব। তেখেত (ৰাঃ)য়ে কৈছিল-ইয়া ৰছুলুল্লাহ, মই লোকক এই বিষয়ে খবৰ দিওঁ যাতে তেওঁলোকে আনন্দিত হয়। তেখেত (ছাঃ)য়ে কৈছিল

তেনেহ’লে তেওঁলোকে ভৰসা কৰিব যে, ইখিনি কথা কৈছো আৰু বাকী নেকি অৰ্জন নকৰিম এই কাৰণে লোসকলক নক’বা। হজৰত মুৱাজ (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ এই আদেশ মান্য কৰিছিল আৰু মৃত্যুৰ সময়ত কৈছিল যে,মুবাদা  এক  জৰুৰী কথা নোকোৱাত তেওঁক যাতে জিজ্ঞাসু কৰা নহয় যে, তোমাৰ জ্ঞানত এটা কথা আহিছে আৰু তুমি আগলৈ কাকো কোৱা নাই।

হজৰত মুৱাজ বিন জবল (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, ৰছুলুল্লাহ (ছাঃ)য়ে মোক তবুকৰ এটা নিজৰাৰ ওচৰত যাবলৈ আদেশ দি কৈছিল যে সেই নিজৰাৰ পানী মুঠেই নুচুবা। উক্ত নিজৰাত বৰ লেহেম গতিৰে পানীৰ সুত বৈ গৈছিল। তেখেত (ছাঃ)য়েও গৈ তাত উপস্থিত হৈছিল আৰু সেই নিজৰাৰ পৰা এটা কাঁহীত সামান্য পৰিমাণে পানী জমা কৰিছিল আৰু মুখমণ্ডল ধুইছিল আৰু সেই পানী আকৌ নিজৰাত ঢালি দিছিল,তেতিয়া নিজৰাত সুত বেগেৰে ববলৈ লৈছিল। ইমানেই যে লোকসকলে পূৰ্ণ তৃপ্তি লাভ কৰিছিল। ইয়াৰ পিছত হুজুৰ (ছাঃ)য়ে কৈছিল- হে মুৱাজ! যদি তোমাৰ আয়ু দীঘলীয়া হয় তেন্তে দেখিবলৈ পাবা যে এই ঠাইত বাগ-বাগিছাৰে পূৰ্ণ হৈছে। ইবনে ওৱাছাআ কৈছে যে, এনেকুৱা হৈ আছে, সম্ভৱত এই অৱস্থা কিয়ামতলৈকে চলি থাকিব। এনেকৈয়ে তেখেত (ছাঃ)ৰ ভৱিষ্যদ্বাণী পূৰ্ণ হৈছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, এই বৰ্ণনা ইনশা আল্লাহ আগলৈ চলিব।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, মাননীয় ফৰজান খান চাহাব মুবাল্লিগ ছিলছিলা উড়িস্যা আৰু মাননীয় আব্দুল্লাহ মছিকো চাহাব লোকেল মিচনাৰী মালয়েছিয়া আৰু মাননীয় আব্দুল ওৱাহেদ চাহাব মুৱাল্লিম ছিলছিলা কাদিয়ানৰ পৱিত্ৰ গুণাৱলী চমুকৈ বৰ্ণনা কৰে আৰু মৰহুমিন সকলৰ নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**KHULASA KHUTBA JUMA HUZOOR ANWAR (aba) 23 OCTOBER 2020**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**